# পূব কামৰূপ কলেজত

## বসন্তৰ

## ধেমালি

একাদশ সংখ্যা, ২০২৫




সম্পাদক

পলাশ ডেকা

*অৰুণিমা দেৱীৰ*

## বসন্ত

আশা, প্ৰত্যাশা আৰু জীপালতাৰ
ৰঙেৰে ৰঙীন— মই বসন্ত।
অস্থিৰতাৰ ধুমুহাত বিধ্বস্ত প্ৰকৃতিৰ
এমুঠি আবেগ মই বসন্ত।
হৃদয়ৰ কোণৰ পৰা ওলাই অহা নিৰ্ভেজাল
শব্দ ব্ৰহ্মাৰ এক ঝংকাৰ
মই বসন্ত!
কাঁচিজোনে যিদৰে পূৰ্ণতাৰ সংকেত দিয়ে,
ঠিক সেইদৰেই চঞ্চল ফাগুনে
মোৰ সংকেত বহন কৰে,
নীৰৱে... গোপনে!!





# পূব কামৰূপ কলেজত বসন্তৰ ধেমালি

**একাদশ সংখ্যা, ২০২৫**

**প্ৰকাশক**

**পূব কামৰূপ মহাবিদ্যালয়**



*হৰজ্যোতি দাস*

## বসন্ত

ব'হাগৰ অন্য এটি নাম বসন্ত
চাৰিওফালে আনন্দৰ কিৰিলি
কুলি-কেতেকীৰ কাতৰ
উফ কিমান যে সুৰলা।
ইফালে কপৌটিয়ে আদৰিছে বসন্ত
আনফালে বিদায় দিবলৈ সাজু নাহৰ
কুঁহিপাতবোৰে যে মন-প্ৰাণ ভৰাই তুলিছে
আম গছজোপাৰ তলখনো যেন
পৰুৱাবিলাকৰ বাবে এক উদ্যান
সৌৱা লিচুডালেও হালি-জালি নাচিছে।
বসন্তক আৱাহন জনাই কৃষ্ণচূড়া, সোণাৰু ফুলিছে
পলাশৰ ৰঙেৰে নৈখন ৰাঙলী
মদাৰ ফুলবোৰ শুৱনি
কাঞ্চন, চম্পাই ধৰিছে আৰৰি।
শীতৰ চেঁচা ব'দালিজাক হৈছে লাহে লাহে হেঙুলীয়া
পুৱাৰ বেলিটি এতিয়া সোনকালে উদীয়মান
ধূলি আৰু ব'দালিৰ কি যে সম্পৰ্ক
আলিবাটটো ঘেৰি ধৰিছে।



OFFICE OF THE PRINCIPAL
**PUB-KAMRUP COLLEGE**
P.O.- BAIHATA CHARIALI
DIST.- KAMRUP (ASSAM), PIN- 781381
Phone : 03621-286300

ব'হাগেই প্ৰতিনিধিত্ব কৰে নতুনক।
ব'হাগ সৃষ্টিৰ মাহ। সাংস্কৃতিকভাৱে চহকী অসমীয়াৰ বাবে ব'হাগেই প্ৰাণ।

'পূব কামৰূপ কলেজত বসন্তৰ ধেমালি' নামৰ পকেট আলোচনীখন এইবেলিও আগৰ দৰেই প্ৰকাশ পাবলৈ ওলাইছে। অনুভৱ কৰিব পাৰি যে মহাবিদ্যালয়ত ব'হাগ চাগে এইৰূপেৰেই আহে। আকাৰত সৰু হ'লেও ইয়াৰ মানদণ্ড সদায় উচ্চ। এই আলোচনী আমাৰ শিক্ষাৰ্থীৰ প্ৰতিভা বিকাশৰ এক সুন্দৰ ক্ষেত্ৰ।

বিহুৰ শুভেচ্ছা জনালো সকলোকে—
জীৱনবোৰ হওক ব'হাগৰ দৰেই বৰ্ণিল আৰু সুন্দৰ।

**—ড° ভূপেন কুমাৰ শৰ্মা**
অধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয়

***PUB KAMRUP KOLEJOT BOXANTAOR DHEMALI*** : A Pocket Magazine in Assamese edited by Palash Deka (Editor), published by Pub Kamrup College and printed at College Press, Pub Kamrup College, Baihata Chariali, PIN- 781381

**প্ৰকাশক ঃ** পূব কামৰূপ মহাবিদ্যালয়

**সম্পাদনা সমিতি**

**মুখ্য উপদেষ্টা ঃ ড° ভূপেন কুমাৰ শৰ্মা,**
**অধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয়**
**উপদেষ্টা ঃ নাৰায়ণ গোস্বামী, উপাধ্যক্ষ**
**সভাপতি ঃ ড° দীপক কোঁৱৰ**
**সম্পাদক ঃ পলাশ ডেকা**
**সম্পাদনা সহযোগী ঃ নিলাভ ডেকা, ইমৰাজ খান, প্ৰিয়া ডেকা**

**শিক্ষক সদস্য ঃ কল্পনা ভাগৱতী,**
**ড° নিৰ্মল ৰঞ্জন মজুমদাৰ,**
**ড° ধীৰেণ বড়ো**
**সদস্য ঃ স্বপ্নদ্বীপ ঠাকুৰীয়া, মাধুৰ্য কলিতা, পাঞ্চালী ভূঞা**
**প্ৰথম প্ৰকাশ ঃ** বসন্ত, ১৪৩২ ভাস্কৰাব্দ (২০২৫ চন)
**মুদ্ৰণ ঃ** মহাবিদ্যালয় ছপাশাল, পূব কামৰূপ মহাবিদ্যালয়

*বিভিন্ন লেখা আৰু দিহা-পৰামৰ্শৰে ‘পূব কামৰূপ কলেজত বসন্তৰ ধেমালি’ আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰা সাহিত্যানুৰাগী আৰু সুধীজন তথা আলোচনীখনৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত সকলোৰে ওচৰত আমি বিশেষভাৱে কৃতজ্ঞ।* **— সম্পাদনা সমিতি**



*ধৰিত্ৰী বেজবৰুৱাৰ*

## বসন্ত— এক আবেগ

চৌদিশে এক প্ৰসান্তিময় গোন্ধ,
সুকোমল হৃদয়ৰ গভীৰতাত
এক চিনাকি শিহৰণ,
হয়তো এয়া তোমাৰেই আগমন
নহয়নে?
তুমি জানো দেখিছা?
ৰিহাখনৰ ভাঁজতে
তোমালৈ সাঁচি ৰখা মৰম...
তুমিয়ে যে কতজনৰ
হিয়া-দিয়া-নিয়াৰ
সুযোগৰ জৰী...
তুমিয়েচোন প্ৰতিজন অসমীয়াৰ আৱেগ!

নৱ-ৰূপ, নৱ সৃষ্টিৰ
উৎস তুমি...
তোমাৰ নামতেই বিলীন
কতজনৰ নিমাত
অথচ জীয়া কাহিনী...
পদুলিমুখৰ গছজোপাৰ কুঁহিপাতে
তোমালৈ বৰকৈ
মৰম জগায়...
প্ৰতিদিনে অনুভৱ হয়...
হয়তো এয়া তোমাৰেই আগমন
নহয়নে বসন্ত?





## সম্পাদকীয়

“অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো ...”

ফাগুনৰ পছোৱাই লঠঙা কৰা চহৰখনত এতিয়া বসন্তই সেউজৰ ৰহণ সানি জীপাল কৰি তুলিছে।

প্ৰকৃতিৰ বিনন্দীয়াক আকোঁৱালি লৈ কপৌ, কেতেকীৰ সুবাসে, কুলিৰ সুললিত সুৰে, পেঁপা ঢোলৰ মাতে বলিয়া ব’হাগক ৰিঙিয়াই মাতিছে। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যক মুখৰিত কৰি বসন্তৰ সুকোমল পৰশেৰে ‘পূব কামৰূপ কলেজত বসন্তৰ ধেমালি’ৰ জৰিয়তে ৰঙালীক আদৰিবলৈ প্ৰাণোচ্ছল হৈছে পূব কামৰূপৰ বাকৰি।

এইবেলিৰ ব’হাগে নাশ কৰক সকলো অপায় অমংগল, কঢ়িয়াই আনক সুখ আৰু আনন্দৰ বন্যা।

— **পলাশ ডেকা**



*বিদিশা দেৱীৰ*

## জেতুকা

মোৰ নাম বসন্ত
শব্দৰ কোলাহলত
মন যে অশান্ত
ভাৰ্চুৱেল ব’হাগ
হাঁহিৰ আঁৰত বিষাদ।
জেতুকাৰ বোলনিত
ৰঙীন হৈ নুঠা দুহাত।
ঢেঁকীৰ কান্দোনত বুকু বিষায়
শালৰ মাকোৰে কলিজা কঁপায়,
বৰদৈচিলাই পদুলি মুখৰ
নাহৰ জোপা জোকাৰি থৈ যায়।

আধুনিকতাৰ পৰশত,
মোক নমতাকৈ ব’হাগ উভতি যায়।

*আৰফ আলীৰ*

## বৰষা

বসন্তৰ কোলাত সৰি পৰা,
প্ৰতিটোপা জীপাল বৰষা।
ধৰণীক দিয়া তুমি ৰূপ মোহনীয়া,
প্ৰতিটো সৃষ্টিৰ আদিতে তোমাৰ মহিমা।
তোমাৰ উমাল বুকুতে যে
কিমান বিৰিখে পায় নৱৰূপ
বসুমতীক সজাবলৈ।
আৰু ক'ত কবিয়ে পায় কবিতাৰ সমল,
সৃষ্টিৰ ৰূপ বিশাল।
হে প্ৰিয় বৰষা,
প্ৰতি ঋতুতে তুমি অহা।
বোৱাই আনা সৃষ্টিৰ অনন্ত নিজৰা।
তোমাৰ কোলাতে আমি কৰিম
নৱ সৃষ্টি-কৃষ্টিৰ আখৰা।
তুমি আমাৰ হোৱা।
প্ৰতিবাৰেই একে ৰূপেৰে আহা।
লৈ সৃষ্টিৰ অপাৰ ধাৰা।।





*পাঞ্চালী ভূঞাৰ*

## সদাবন্দিত বসন্ত

Spring is far more than just
Changing of seasons; it's a
Rebirth of the spirit.
- Toni Sorenson

প্ৰেম আৰু প্ৰকৃতিৰ অবিশ্বাস্য সংযোগ হ'ল বসন্ত। বসন্তৰ বতাহতে গুঞ্জৰিত হয় মানুহৰ আত্ম-প্ৰতিষ্ঠা আৰু আত্ম-আৱিষ্কাৰৰ হাবিয়াস। ফাগুন-চ'তক একাকাৰ কৰি প্ৰকৃতিৰ মোহনীয় বৰ্ণনাৰে বসন্তৰ ব্যাকুলতাই মানুহৰ মনোজগত স্পৰ্শ কৰি নতুনৰ ঢৌ খেলে। এই পৃথিৱীৰ অগণন ক্ষত-বিক্ষত লোকে বসন্তৰ পৰশতে জীয়াই থকাৰ প্ৰেৰণা লভে। এনেদৰেই সদাবন্দিত হৈ থাকক বসন্ত ঋতু। যি নতুন জীৱন আৰু আশাৰ বাৰ্তাবাহক।





*অৰ্পিতা নাথৰ*

## বসন্ত



ধূলিময় প্ৰকৃতিক,
প্ৰথমজাক বৰষুণে তিয়াইছে
শুকান মাটিৰ গোন্ধ
চাৰিওফালে বিয়পিছে।
লঠঙা গছবোৰে আনন্দত
সেউজীয়া কুঁহিপাত পিন্ধি
নিজক সজাইছে,
এয়া যে বসন্তৰ আগমন হৈছে।
বসন্তই লগত ৰঙালীক আনিছে
সকলোৰে ব্যস্ততাও বাঢ়িছে,
মৰমৰ সূতাৰে শিপিনীয়ে
গামোছাত আশাবোৰৰ বুটা বাচিছে।
প্ৰকৃতি চঞ্চল আজি
চঞ্চল মানুহৰ মন,
নতুন সাজে সাজি সকলোৰে
বসন্তক আদৰিছে।





*কল্পনা ভাগৱতীৰ*

## আবিৰ

অভিমান নকৰিবা ৰাধা
ভালতো মই তোমাকেই পাওঁ!
বসন্তৰ আবিৰ গাত লগালেও
শৰতৰ জ্যোৎস্না পাহৰি নেযাওঁ!!

ৰং মোৰ প্ৰিয় ৰাধা
ই হ'ব পাৰে মদাৰ কিম্বা পলাশ
বুকুত মই কঢ়িয়াই ফুৰোঁ
শেৱালী ফুলৰ কোমল নিৰ্যাস।।

ৰাধা তুমি মোৰ প্ৰাণৰো প্ৰাণৰ
আমৰ ফুলে নোৱাৰে ল'ব স্থান
হৃদয়ৰ পদুমৰ।।

*পুষ্পেন্দ্ৰ কুমাৰ শৰ্ম্মাৰ*

## বসন্ত সুধা

চৌদিশে স্বপ্নময় অনুভূতিৰ মায়াৱী পৰশ
তেজৰঙা ফুলৰ ৰক্তিম আচ্ছাদিত উচ্ছাসত
শুকান ওঁঠত বাজে প্ৰাণ প্ৰতিষ্ঠাৰ গুণগুণ গান।

জিলমিলাই জ্বলি উঠে অপ্ৰমেয়
শিৰৰ সেন্দূৰ বৰণ মঞ্জিমা
ঋতুস্নাতা শৰীৰ বগাই বৈ আহে
বন-বিৰিখৰ চিৰন্তন সুন্দৰতা।

প্ৰেয়সী কলিজাত আন্দোলিত
গোলাপৰ নিৰ্জন আলাপ
বুকুৰে বুকুৰে অগাধ প্ৰেমৰ মগ্নতা
পৰিপূৰ্ণ লগ্নৰ তৃপ্ত কোমল আস্বাদ।





*বিশ্বজিৎ ৰাজবংশীৰ*

## হেপাঁহৰ ৰঙালী

নাহৰে বতৰা দিছে
আহিছে সৌৰা চোৰা
চ'তৰ বুকুৰেদি বাগৰি
শুকান ওঁঠ হেঙুলীয়া কৰিছে।
আঁহা বুটলি আনো
ৰঙীন ব'হাগী।
ধনবৰ, মনবৰ কোন ক'ত আঁছ আহ
ঢোলে মাতে, পেঁপাই মাতে
কুলিয়েও দিছে মৌমিঠা জাননী।
আহিছে ব'হাগী বৰদৈচিলা হৈ
মাকৰ ঘৰ পাহৰি...

আদৰি আনা
আহিছে ৰঙালী
হেঁপাহৰ ৰঙালী, ধুমুহাৰ স'তে খেলি...
লোৱা সাৰটি
মন আমাৰ সোণালী
পদূলিত ৰঙালী





*পৰাগজ্যোতি ডেকাৰ*

## বসন্তৰ কথা

লঠঙা ফাগুনক ন সাজ পিন্ধাই
ধৰালৈ বসন্ত নামিছে
প্ৰকৃতিয়ে পেলাইছে স্বস্তিৰ নিশ্বাস।
ধূলিয়ৰী ফাগুনৰ পিছৰ প্ৰথমজাক বৰষুণে
প্ৰকৃতি জীৱজগতক জীপাল কৰি তুলিছে।
গছ-লতিকায়ো বৰণ সলাইছে,
চহা কৃষকে আনন্দত আত্মহাৰা হৈ
গীত জুৰিছে- "টোপাল টোপাল বৰষুণে
আৰ্হি চকুৰ পতাত চুমা সিঁচি দি যায়।"
কুলিজনীয়েও চিঞৰি চিঞৰি বসন্তৰ
আগজাননী দিছে।
... বসন্ত, এয়াইতো বসন্ত।







*মৃণালিনী মজুমদাৰৰ*

## বসন্তৰ আশাৰে

বতাহজাকে আজিও পলাশ ফুলৰ সুবাস কঢ়িয়াই আনে। দীপে বেলিৰ পোহৰৰ তলত বহি আছে- চকুত এটা গভীৰ শূন্যতা। এক সময় আছিল, যেতিয়া বসন্ত মানেই আছিল সংগীত, উল্লাস আৰু অনাবিল হাঁহি। কিন্তু এই বসন্ত? সি নিস্তব্ধ।

তিনি বছৰ আগতে ঠিক এই বসন্ততে,সি আৰু ৰাগিনীয়ে একেলগে সপোন দেখিছিল- বাট বোলাৰ, জীৱন গঢ়াৰ। কিন্তু নিয়তিৰ খেলো বুজিবলৈ সহজ জানো? এদিন হঠাতে ৰাগিনীয়ে ইহসংসাৰৰ পৰা বিদায় লৈছিল। সেই দিনাৰ পৰা বসন্ত দীপৰ বাবে মাথোঁ এটা হেৰুৱা সপোন।

কিন্তু আজিৰ দিনটো বেলেগ। মাটিৰ তলত পুৱাৰ শিশিৰ, ডালত নতুন পাত, আকাশত এশাৰী বগলী। দীপে ভাবিলে "বসন্ত আকৌ আহে, সপোনো আকৌ ফুটে।" ৰাগিনীৰ স্মৃতি হৃদয়ত থাকিলেও, জীৱন আগবাঢ়িবলৈ অপেক্ষা নকৰে।

সি পিন্ধিলে ৰাগিনীয়ে দিয়া সেউজীয়া গামোচাখন। ওখ গছজোপাৰ তলত দাঙি ধৰি ক'লে, "ৰাগিনী, মই জীৱনলৈ উভটি আহিছোঁ— এই বসন্তৰেই সৈতে।"

*নিলাভ ডেকাৰ*

## বসন্ত

বসন্তৰ আগমন...
আশাৰ সঞ্চাৰ
বিস্তাৰ আশাৰ...।
বসন্ত অহাৰ উমান পালেই
উন্মনা হয় ধৰণী,
ধৰিত্ৰীৰ শুষ্ক বুকুত
জীপাল হৈ পৰে
বসন্তৰ বৰ্ষা-ঝঞ্জাৰ পৰশত।
বসন্ত আহিলেই
অসমীয়াৰ আৱেগ নামে।
কুলিটোৱেও মাতে কুঁহিপাতৰ মাজে,
নাচনীয়েও কঁকাল ঘুৰাই
পাট-মুগাৰ সাজে।
বসন্ত আহিলেই
প্ৰকৃতিয়ে গায় আনন্দৰ জয়গান।
মেঘৰ গাজনি শুনি
আনন্দত আত্মহাৰা কৃষকৰ প্ৰাণ।
বসন্ত হ'ল জীৱনৰ নতুন প্ৰাণ।






*যুতিকা মহন্তৰ*

## বসন্তৰ ধেমালি

তুমি যেতিয়া সোধা
কুশলে আছানে তুমি?
অনুভৱ কৰোঁ তেতিয়া
ঠেঁটুৱৈ পৰা শীততো,
মোৰ শীৰ্ণ শৰীৰত
এছাটি মলয়া বতাহ।

প্ৰতিডাল সিৰা-উপসিৰাৰে
বিজুলী বেগেৰে প্ৰৱাহিত হয়,
এক অনামী শিহৰণ।

বিদায় বেলা তোমাক
আকৌ এবাৰ সুধিছোঁ?
অনুভৱ কৰিছানে তুমি
বসন্তৰ নিৰ্দোষ ধেমালি।







*ৰ'ণী আহমেদৰ*

## বসন্তৰ অনুভৱ

ফাগুনৰ পছোৱাই সৃষ্টি কৰা আদ্ৰহীনতাই চ'তৰ সংগ লাভ কৰি তীব্ৰ ৰূপ লৈছিল। প্ৰকৃতিয়েও তেতিয়া অবয়সত বৃদ্ধ হোৱা মহিলাৰ দৰে হৈছিল। শুকান, ধূলিময় চুলি, লেতেৰা চেহেৰা, ধূলিৰ মাজেৰে চোৰাতকৈ চকু মুদাই শ্ৰেয় আছিল। তেনেতে কোমল হাতৰ পৰশৰ দৰে এজাক কিনকিনীয়া বৰষুণে দি গ'ল বসন্তৰ আগমনৰ জাননী। গছৰ ডালত নতুন পাতৰ আগমন ঘটিল। বসন্তই যেন প্ৰকৃতিক সেউজীয়া মেখেলা চাদৰ এখন পিন্ধালে। চৰাইবোৰে গীতগোৱাত লাগিল। মুখ্য দায়িত্বভাৰ ল'লে কুলিয়ে। উমাল দুপৰীয়া প্ৰেমিক-প্ৰেমিকাৰ মনে হৃদয়ে এই গীতত নৃত্য কৰে। চাব জানিলে প্ৰতিগৰাকী নাৰী প্ৰকৃতিৰ দৰে ধুনীয়া। তীক্ষ্ণ চকুযুৰিক তুলনাবিহীন কৰি তোলাত কাজলৰ যি ভূমিকা, বসন্তৰ প্ৰকৃতিৰ ৰূপৰ লগত একেই ভূমিকা।





*ড° হেমশ্ৰী দেৱীৰ*

## সময়ৰ অনুভৱ

ডালিমীৰ দেউতাকৰ ঘৰৰ বিশ বছৰৰ আগৰ ছবি ঃ ঘৰ চাফাইৰ পৰা আৰম্ভ কৰি ঘৰ সকলো সৰু-বৰ কামৰ দায়িত্বৰ শাৰীৰিক আৰু মানসিক পৰিশ্ৰমৰ চাবি-কাঠি আছিল তাই।

বিশ বছৰ পাছৰ আজিৰ ডালিমীৰ বাস্তৱ ঃ দেউতাকৰ বাৰ্ষিক শ্ৰাদ্ধত তাই নাই অথচ তাইৰ অভাৱ কোনেও অনুভৱ কৰা নাই!

"বিহুনৃত্যক আমি লোকনৃত্য বুলি অভিহিত কৰিব পাৰোঁ। লোকনৃত্য জাতীয় সংস্কৃতিৰ মেৰুদণ্ড স্বৰূপ। সেয়ে বিহুনৃত্য অসমীয়া জাতীয় সংস্কৃতিৰ মেৰুদণ্ড। ইয়াতে অসমীয়া জাতীয় কলা-কৃষ্টিৰ আত্মাটো নিহিত হৈ আছে।"

— ড° গিৰিশ বৰুৱা

উৎস ঃ সংস্কৃতি ৰূপে বিহু

প্ৰথম সংস্কৰণ, ১৯৯৫

*ড° বৰ্ণালী ডেকাৰ*

## জেংৰাই পথাৰৰ আবেলি

আলিৰ দাঁতিত ৰৈ আছোঁ...
কিজানি তুমি আহাহু
সেউজীয়া বেলিটোৰে মোলৈ চাই হাঁহে
যা গৈ যা-
এইবাৰ লৈ,
অহাবাৰ হালধীয়া পথাৰখন
লগত লৈ আহিবি...।
জেংৰাই পথাৰৰ আবেলি চাবলৈ তুমি আহিবানে -
অহাবাৰ ?
দুয়ো একেলগে যাম ।

পপীয়া তৰাটি বাগৰি পৰে
মোৰ চোতালতে,
বুটলি লওঁনে ?
আয়ে দেহি কি বগা, ধকধকীয়া।
কেতিয়াবা চুই চাইছানেহু
মোৰ শিতানতে সজাই থৈছোঁ।
তুমি আহিলে চাবা দেই, শিতানতে শুই আছে।
আহিবা কিন্তু ।
দুয়ো একেলগে যাম ।
জেংৰাই পথাৰৰ আবেলি চাবলৈহু
হাতত ধৰা ধৰিকৈ ...।





*ৰিমা ডেকাৰ*

## বসন্তত মোক বৃষ্টিৰ প্ৰয়োজন

সকলো জ্বলিছে বাহিৰ-ভিতৰ সকলো
বৰষুণ এজাক অহা হ'লে,
চকুলো নহয়, গা-মন শাঁত পেলাব পৰাকৈ
মোক এজাক বৃষ্টিৰ প্ৰয়োজন।
চৌপাশে বেহু এখন আঁকিলো নিজেই
পাহৰিলো বেহুলৈ সোমোৰা-ওলোৰা পথ,
বৰষুণ এজাক অহা হ'লে,
নোহোৰা কৰিলেহেঁতেন বেহুৰ আচবোৰ,
নোহোৰা কৰিলেহেঁতেন দেৱালবোৰ,
বসন্তত মই পছোৰা বিচৰা নাই!

বসন্তত মই ৰঙীন হ'ব খোজা নাই
বসন্তত মই ৰঙীন হ'ব খোজা নাই।
বসন্তত মই বিচাৰিছোঁ,
মাথোঁ মোক সুখী কৰিব পৰা এজাক বৃষ্টি।।
বসন্ত ৰঙীন হ'বলৈ কাঞ্চনজোপাকো,
অকণি বৃষ্টিৰ প্ৰয়োজন।
বৃষ্টিয়েই সৌন্দৰ্যৰ মাহাত্ম্যৰ প্ৰকাশ এই ধৰণীত।।





*ড° দীপক কোঁৱৰৰ*

## ঋতু বিহীন স্তৱক

(১)
মানুহবোৰ আগতকৈ
ধুনীয়া হ'ল,
আৰু মনবোৰ?
মলিন হৈয়ে ৰ'লহু

(২)
ঘৰবোৰ আগতকৈ
মজবুত হ'ল,
আৰু হৃদয়বোৰ?
ঠুনুকা হৈয়ে ৰ'লহু

(৩)
কাপোৰবোৰ আগতকৈ
দেখনিয়াৰ হ'ল,
আৰু দেহবোৰ?
নগ্ন হৈয়ে ৰ'লহু

(৪)
খাদ্যবোৰ আগতকৈ
ৰংচঙীয়া হ'ল,
আৰু পুষ্টিগুণত?
অপুষ্টিকৰ হৈয়ে ৰ'লহু

(৫)
সময়বোৰ আগতকৈ
সলনি হ'ল,
আৰু মানুহবোৰ?
সেই তাহানিতে ৰৈ গ'লহু





ঠিক তেতিয়াই...
"অভি?"
মায়াৰ মাত!
সময় যেন মুহূৰ্ততে স্থিৰ হৈ গ'ল। অভিজিতে পিছফালে চাই থমকি ৰ'ল...
মায়া!
চকুৰ ভাষাতে পাঁচ বছৰৰ দূৰত্ব বিলীন হৈ গ'ল। বতাহজাকে কপৌ ফুলৰ সুবাস উৰুৱাই আনিলে, দুয়োজনৰ বুকুত সেই পাহৰি যোৱা বসন্ত নতুনকৈ জীয়াই উঠিল।
বসন্ত আকৌ আহিল... আকৌ লৈ আহিল আধৰুৱা প্ৰেম পূৰ্ণ কৰাৰ হাবিয়াস...!!!

> "বিহুনাম অসমীয়া লোক-সাহিত্যৰ এটি অমূল্য সম্পদ। ইয়াৰ বুকুত আছে জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। ইয়াৰ ভাষা খুব সৰল, ছন্দ সাৱলীল, সুৰ মনোমোহা।"
> — লীলা গগৈ
> উৎস ঃ বিহুগীত আৰু বনঘোষা
> দ্বিতীয় সংস্কৰণ, ১৯৬৯

*নিখিল কুমাৰ ডেকাৰ*

## বসন্তৰ বৈচিত্ৰ

বসন্তৰ নৰম বতাহজাকে কপৌ ফুলৰ সুৱাস কঢ়িয়াই আনিছে। পথাৰৰ সেউজ কুঁহিপাতবোৰ মিঠা ৰ'দত জিলিকি উঠিছে। আকাশখনো কিছুমান সেমেকা স্মৃতিৰ দৰে কোমল হৈ আছে। অভিজিতে বাটেদি খোজ কাঢ়ি গৈ আছিল, হাতত এখন হালধীয়া চিঠি।

চিঠিখন বয়সত পাঁচ বছৰৰ, কিন্তু তাত লিখা কথাবোৰ সিমানেই নতুন।

"বসন্ত আহিলে ময়ে লগ পাওঁ নেকি?"

মায়াৰ সেই শব্দবোৰ এতিয়াও অভিজিতৰ অন্তৰত প্ৰতিধ্বনিত হৈ আছে। কলেজৰ দিনবোৰত বসন্ত মানেই আছিল মায়াৰ সৈতে কটোৱা সুখৰ মুহূৰ্তবোৰ। কপৌ ফুলা সেই তগৰ জোপাৰ তলত বহি উফ!! কিমান যে সপোন সাজিছিল সিহঁতে। 'যদিহে এই তগৰ জোপাৰ তলত এবাৰ লগ পোৱা যায়, তেন্তে সময়ো হেৰাই যাব,"— মায়াই কৈছিল।

কিন্তু সময়ে কোনোদিনে অপেক্ষা নকৰে। পলবোৰ আঁতৰি গ'ল, জীৱনে দুয়োকে ভিন্ন পথলৈ লৈ গ'ল। অভিজিতে কপৌ কোমল পাতবোৰৰ মাজত হাত ফুৰাই দিলে। বুকুৰ গভীৰতাত সেমেকি থকা স্মৃতিবোৰ যেন সুৰ লৈ বাজি উঠিল, যেন অতীতৰ প্ৰতিটো অনুভৱ মুহূৰ্ততে পুনৰ জীয়াই উঠিছে।





*ড° নিৰ্মল ৰঞ্জন মজুমদাৰৰ*

## বিহুগীতৰ প্ৰথমখন ইংৰাজী কিতাপৰ কথাৰে ....

বিহু অসমৰ বাপতি সাহোন। অতীতৰ পৰাই বৰ অসমৰ অসমীয়া সমাজে বিহু পালন কৰি আহিছে। প্ৰকৃতিৰ লগত প্ৰত্যক্ষ সংযোগ থকা, কৃষিকৰ্মৰ লগত নিবিড় সম্পৰ্ক থকা বিহুৱে আদিৰ পৰা আজিলৈকে পাৰ কৰিছে পৰিৱৰ্তনৰ বিভিন্ন ঢাপ। এনে অনিৰুদ্ধ যাত্ৰাত বিহুৱে যিদৰে বাটতে বহু কথা এৰি আহিছে, ই বহু নতুন দিশ সাঙুৰিও লৈছে। তথাপি বিহুৱে পৰিচয় হেৰুওৱা নাই, হেৰুওৱা নাই ইয়াৰ মান-স্থান। অতীতৰ দৰে আজিও বিহু প্ৰতিগৰাকী অসমীয়াৰ প্ৰাণত আছে আৰু ভৱিষ্যতলৈও থাকিব। কাৰণ অসমীয়া জাতিৰ আয়ুস ৰেখাই হৈছে বিহু। ৰঙালী, কঙালী আৰু ভোগালী বিহুৰ ভিতৰত ব'হাগৰ ৰঙালী বিহু অধিক আদৰৰ, অধিক চেনেহৰ। প্ৰাণৱন্ত অসমীয়া লোকে এই কথাকেই সুৰীয়াকৈ এনেদৰে কৈছে—

"অতিকৈ চেনেহৰ মুগাৰে মহুৰা  
তাতোকৈ চেনেহৰ মাকো  
তাতোকৈ চেনেহৰ ৰঙালী বিহুটি  
নেপাতি কেনেকৈ থাকো"





*তৰালী শৰ্মাৰ*

## বসন্ত

ব'হাগীৰ সেউজী চাদৰ উৰা  
বসন্তৰ আগমনী  
বৃষ্টিৰ ঝুনকাৰ টুপ টুপ  
শব্দত প্ৰকৃতিৰ দুল-দুলনি।  
নিথৰুৱা ডালত সেউজীয়া চামনীৰ পলস।

তাত আকৌ  
বৰষুণৰ জীপালতা।  
ময়ো পাৰিছো ৰঙা দলিচা  
আদৰিব মোৰ মনৰ প্ৰিয়া।

বসন্তৰ মাত্ৰ তিনিমাহৰ প্ৰতিশ্ৰুতি দি গুচি যায় আৰু ৰৈ যায় মাথোঁ প্ৰকৃতিৰ ভালপোৱা। থাকি যায় বসন্তৰ আগমনিত গোটাই লোৱা বহুতো স্মৃতি... কিন্তু বৰষুণৰ ভাল পোৱা আজিলে কোনেও নুবুজিলে। যিয়ে কোনো ঋতুৰ কথা নুশুনি নিজৰ কামকো পিছ কৰি ধৰালে নামি আহে বাচ প্ৰকৃতিৰ এৰাব চাবলে অলপ মৰম দিবলৈ।

মই বৰষুণ ভাল পাওঁ আৰু তাৰ প্ৰেমো বুজো, আৰু সেইবাবেই মই তোমাক মোৰ প্ৰকৃতি আৰু মই তোমাৰ বৰষুণ হ'ব বিচাৰো য'ত আমাৰ মাজত কোনো ঋতুৰ বাধা নাথাকিব। তোমালৈ যেতিয়াই মনত পৰিব তেতিয়াই বৰষুণৰ দৰে তোমাৰ ওচৰলে যাম তোমাক জীপাল কৰি আকৌ ঘূৰি আহি। তোমালে আকৌ বাট চাম।

শেষত নাজানো তুমি বৰষুণ ভাল পোৱানে নাই, কিন্তু বৰষুণে সদায় ধৰাক ভাল পাই থাকিব।





of Assam। কিতাপখনৰ প্ৰণেতা অধ্যাপক প্ৰফুল্লদত্ত গোস্বামী। 'লয়াৰ্ছ বুক ষ্টল'এ প্ৰকাশ কৰা ১৭৪ পৃষ্ঠাৰ এই কিতাপখনত সৰ্বমুঠ ২৬২ টা বিহুনাম ইংৰাজীলৈ অনুবাদ কৰি সংকলিত কৰা হৈছে। ইয়াৰোপৰি পাঠকৰ সুবিধাৰ বাবে লেখকে বিহুনামসমূহ ৰোমান লিপিতো অন্তৰ্ভুক্ত কৰিছে। উল্লেখ্য যে ড° গোস্বামীয়ে পিছলৈ The Springtime Bihu of Assam (১৯৬৬), Bohag Bihu of Assam and Bihu Songs (১৯৮৮) নামেৰে আন দুখন কিতাপো লিখি উলিয়াইছিল। অসমীয়াৰ প্ৰাণোৎসৱ বিহুক বিশ্ববাসীৰ আগত পৰিচয় কৰায় দিয়া ক্ষেত্ৰত ড°প্ৰফুল্লদত্ত গোস্বামীৰ এই অৱদান চিৰস্মৰণীয় হৈ ৰ'ব।

"বিহুগীত (বিহুনাম) আৰু বনঘোষাৰ মাজত পাৰ্থক্য উলিয়াবলৈ টান, কিয়নো দুয়োবিধৰ বিষয়বস্তু আৰু প্ৰকাশভঙ্গী প্ৰায় একে। সম্ভৱ বিহুগীতৰ বহল প্ৰয়োগেই বনঘোষা।"

— ড°প্ৰফুল্ল দত্ত গোস্বামী  
উৎস ঃ অসমীয়া জনসাহিত্য  
পঞ্চম সংস্কৰণ, ১৯৯৪

বিহুনাচ আৰু বিহুনাম— ৰঙালী বিহুৰ এৰাব নোৱৰা অংগ। একালৰ হোজা-চহা অসমীয়া লোকে বসন্তকালৰ মধুময়ী প্ৰকৃতিৰ উচ্ছল আবেদনৰ প্ৰতি সঁহাৰি জনাই গীত জুৰিছিল, অংগ চালনাৰে আৱেগ ঢালি নাচিছিল। য'ত প্ৰকৃতি, তাতেই যৌৱন-যৌনতা। বিহুৰ গান- নাচতো প্ৰকৃতিৰ লগতে যৌৱন-যৌনতাৰ আদিৰসে আগস্থান পাইছিল। অৱশ্যে সময়ৰ গতিত এনে গীত- নাচ আদি কিছু মাৰ্জিত হ'ল। সময়ৰ গতিত একালৰ পথাৰৰ বিহুনাম- বিহুনাচ গঞাৰ পদূলি পালে, ইয়ে মঞ্চ-টেলিভিচনতো স্থান ল'লে। বিহুনামৰ কিতাপ ওলাল, গীত-নাচৰ প্ৰশিক্ষণৰ ব্যৱস্থা হ'ল, ষ্টুডিঅ'ত ৰেকৰ্ডিং কৰা বিহুৰ শ্ৰাব্য সঁফুৰা ওলাল, আনকি চৰকাৰৰ তত্ত্বাৱধানত বিহুৰ নাচ-গানেৰে বিশ্ব অভিলেখ গঢ়ি বিহুক বিশ্বমুখী কৰাৰ প্ৰয়াস কৰা হ'ল। এনে ক্ৰমবিকাশমান যাত্ৰাই আমাৰ প্ৰাণৰ উৎসৱটিক যেন অধিক প্ৰাণময়ী কৰি তুলিলে।

চেনেহৰ বিহুটিক বিশ্ববাসীৰ আগত চিনাকি কৰি দিয়াৰ প্ৰয়াস আজিৰ নহয়। আমি গৌৰৱ কৰিব পৰাকৈ বিহু বিষয়ক প্ৰথমখন ইংৰাজী কিতাপ প্ৰকাশ পাইছিল আজিৰ পৰা প্ৰায় সাতোটা দশকৰ পূৰ্বেই। ১৯৫৭ চনতেই অসমৰ পৰা ছপা হৈছিল বিহুগীত বিষয়ক প্ৰথমখন ইংৰাজী কিতাপ; য'ত সন্নিৱিষ্ট কৰা হৈছিল ইংৰাজীলৈ তৰ্জমা কৰা বিহুগীত। এই আলোচিত কিতাপখন হৈছে Bihu Songs





*প্ৰিয়া ডেকাৰ*

## তুমি বসন্ত

প্ৰাণময় চঞ্চলা তুমি বসন্ত
উতলা ফাগুনৰ মলয়াৰ এছাটি বতাহ, তুমি বসন্ত
চ'তৰ শেষৰ কিৰণজাকৰ ৰঙীন আভা, তুমি বসন্ত,
শীতল চহৰৰ উন্মাদনাৰ অভিপ্ৰায়,
পৰিচয় তুমি বসন্ত!
সেউজীয়া আবিৰৰ উন্মনা যৌৱনৰ বৃষ্টিপ্ৰকোপ;
শ্ৰেয় তুমি বসন্ত!!







*বেনজিন চুলতানাৰ*

## প্ৰশ্ন

মহাবিদ্যালয়ৰ মুকলি বিহুত ঢোল-পেঁপাৰে ৰজন-জনাই থকা পৰিৱেশটোত মন-প্ৰাণ ঢালি বিহু নাচি থকা ছাত্ৰ-ছাত্ৰীবোৰক দেখি নাচিবলৈ আগবাঢ়ি অহা প্ৰিয়াক এক অদৃশ্য শক্তিয়ে বান্ধি ৰাখিলে। মুহূৰ্ততে জঠৰতাই বিৰাজ কৰিলে তাইৰ দেহত। তাই নিজকে প্ৰশ্ন কৰিলে - "আচল হেঙাৰডাল ক'ত - তাইৰ সদ্য নিযুক্ত চাকৰিটো, বয়স নে অচিন লাজ?"

## অমিল

কোনোদিন চকুৰ ভাষাৰে, ওঁঠৰ ভাষাৰে ক'ব নোৱৰা কথাষাৰ কবিতাৰ ভাষাৰে ক'ম বুলি নৰজিতে তুলি ল'লে কলমটো। কলমৰ ক'লা নীলা চিয়াঁহীৰে লিখি উলিয়ালে প্ৰেম নিবেদনৰ এটি ৰঙীণ কবিতা। পিছমুহূৰ্তত ৰিপ্লাই আহিল - "কি পঠাইছা এইবোৰ? মোৰ পঢ়ি থাকিবলৈ ধৈৰ্য নাই। ৰিলছ বনাবলৈ আছে, Edit কৰিবলৈ আছে। এতিয়া মেক-আপ আৰ্টিষ্টৰ তাত যাওঁ।"





*ইষ্টে খাৰুল আলম আজৰ*

## হেৰা বাসন্তী

বহু সময় হ'ল তোমাক দেখা নাই,
তোমাৰ ৰূপালী ৰঙৰ আভা অনুভৱ কৰা নাই।
আহিব চোন এইবাৰ অলপ পলাশৰ ৰং লৈ
মোৰ উৰি যোৱা প্ৰাণৰ ঠিকনা লৈ,
সুদূৰ অতীতত খেলিছিলো হোলী
বিচাৰিছিলো ভোলাৰ সান্নিধ্য, তুমিয়েইতো
আছিলা তাৰ নিৰৱ সাক্ষী।
বৈৰাগিনী, মধুৰ মোহিনী,
জগালা মনত প্ৰেম, কৰিলা ধৰাৰ প্ৰাণ সন্ধলিনী।
আনিলা সমস্ত মানৱৰ সুখ সমাহাৰ
কৰিলা এই নিৰস কবিক তোমাৰ গুণৰ অনুৰাগী।

সেই দিনা এতিয়া এক যুগ হৈ গ'ল,
মনৰ আশা বেদনাত পৰিভাষিত হ'ল।
আহিবা এইবাৰ স্থায়ী হৈ মোলৈ, কিয়নো
তোমাৰ পৰশসম অমৃত ক'তো নাই,
আহিবা বসন্তৰাণী তোমাক বহুদিন কাষত পোৱা নাই!!!


PUB KAMRUP COLLEGE
পূব কামৰূপ কলেজত বসন্তৰ ধেমালি
ধেমালি